জনসংযোগ, অসম　　　　　　　　　　　　　　　　　　　　　　প্ৰেছ বাৰ্তা নং ঃ ৯১.

# দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ টোল ফ্ৰী নম্বৰ ১০৭০,১০৭৯,১০৭৭ত ৰাইজে জনাব পাৰিব ভূমিকম্পৰ ক্ষয়ক্ষতিৰ তথ্য

**দিছপুৰ, ২৮ এপ্ৰিল ঃ** ৰাজ্যত আজি পুৱাৰ ভাগত হোৱা ভূমিকম্পৰ ক্ষয়ক্ষতিৰ বিষয়ে অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণ (এএছডিএমএ)ক দৃষ্টিগোচৰ কৰিবলৈ ৰাইজৰ বাবে টোল ফ্ৰী নম্বৰ প্ৰকাশ কৰিছে প্ৰাধিকৰণে। ৰাজ্যিক স্তৰত অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ অধীনত পৰিচালিত ৰাজ্যিক জৰুৰী সঞ্চালন কেন্দ্ৰ (এছইঅ'চি)ৰ টোল ফ্ৰী নম্বৰ ১০৭০ আৰু ১০৭৯ ৰ লগতে প্ৰতিখন জিলাতে থকা জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰে সংলগ্ন জিলা জৰুৰী সঞ্চালন কেন্দ্ৰ (ডিইঅ'চি)ৰ টোল ফ্ৰী নম্বৰ ১০৭৭ ত যোগাযোগ কৰি ৰাইজে ভূমিকম্পৰ ক্ষয়ক্ষতিৰ বিষয়ে দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণক অৱগত কৰিব পাৰিব। তদুপৰি, দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ ই-মেইল ঠিকনা seoc.asdma@assam.gov.in লৈ ই-মেইল কৰিও জনসাধাৰণে এএছডিএমএক এই বিষয়ে জনাব পাৰিব। এই টোল ফ্ৰী নম্বৰ আৰু ই-মেইল ঠিকনাত যোগাযোগ কৰি ভূমিকম্পৰ ক্ষয়ক্ষতিৰ বিষয়ে তাৎক্ষণিক ভাৱে জনাবলৈ ৰাইজক আহ্বান জনাইছে দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে।

***ৰাঃবঃ/প্ৰঃদঃ/২৮-০৪-২০২১***